জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৭/২০২৩**

# জনতা ভৱনৰ প্ৰৱেশ পথত মিলেট কেফে আনুষ্ঠানিকভাৱে মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনৰ প্ৰৱেশ পথত মিলেট কেফে এখন আনুষ্ঠানিকভাৱে মুকলি কৰে। মিলেটৰ জনপ্ৰিয়তা বৃদ্ধি তথা সচিবালয়ৰ কৰ্মচাৰী আৰু স্থানীয় জনসাধাৰণক মিলেটৰ সোৱাদ প্ৰদানৰ বাবে এই মিলেট কেফে শুভাৰম্ভ কৰা হয়।

মুখ্যমন্ত্ৰীয়ে কয় যে মিলেটৰ বহুমুখী গুণাগুণৰ বাবে উপভোক্তা, পৰিৱেশ আৰু কৃষকৰ মাজত সম্প্ৰীতি অধিক জনপ্ৰিয় আৰু গ্ৰহণযোগ্য হৈ উঠিছে। সাম্প্ৰতিক বিশ্বত দেখা দিয়া কেতবোৰ গুৰুত্বপূৰ্ণ সমস্যা যেনে পুষ্টিহীনতা, মেদবহুলতা, পৰিৱেশৰ সমস্যা অৰ্থাৎ জলবায়ু পৰিৱৰ্তন, পানীৰ অভাৱ আৰু পৰিৱেশৰ অৱক্ষয় তথা গ্ৰামাঞ্চলৰ দৰিদ্ৰতা দূৰীকৰণত মিলেটৰ খেতিয়ে গুৰুত্বপূৰ্ণ অৰিহণা যোগাব পাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে ৰাষ্ট্ৰসংঘই ২০২৩ বৰ্ষক আন্তঃৰাষ্ট্ৰীয় মিলেট বৰ্ষ হিচাপে ঘোষণা কৰিছে। অসম চৰকাৰে এই বৰ্ষটোক মিলেট বৰ্ষ হিচাপে উদ্‌যাপন কৰিবলৈ সাজু হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ২০২২ চনৰ পৰা ২০২৯ চনলৈ ৭ বছৰৰ ভিতৰত অসম মিলেট মিছন ৰূপায়ণৰ বাবে যোৱা বৰ্ষৰ ১৬ নৱেম্বৰত অসম মিলেট মিছনৰ শুভাৰম্ভ কৰিছে। ইতিমধ্যে এই মিছনৰ অধীনত ক্ষেত্ৰ ভিত্তিত কাম-কাজ আৰম্ভ হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যত মিলেটৰ ঘৰুৱা ব্যৱহাৰ বৃদ্ধি কৰা, মিলেটৰ সংসাধন উদ্যোগ প্ৰসাৰিত কৰা, মিলেট ভিত্তিত শস্য প্ৰণালীৰ উৎপাদনশীলতা বৃদ্ধি কৰা, শস্য ছপোৱাৰ পিছৰ উন্নত ব্যৱস্থাপনা, ৰাজ্যত ৰূপায়িত পুষ্টিজনিত আঁচনিত মিলটেৰ অন্তৰ্ভুক্তি তথা শস্যৰ বিবিধতা বিকশিত কৰা আদি মূল লক্ষ্য আগত লৈ অসম মিলেট মিছনে ইয়াক ৰূপায়ণৰ বাবে আগবাঢ়িছে। তেওঁ কয় যে সম্প্ৰতি ৰাজ্যখনত তিনি প্ৰকাৰৰ মিলেট যেনে ফিংগাৰ মিলেট, ফক্স টেইল মিলেট, প্ৰ'ছ' মিলেট খেতি কৰা হৈছে। ৰাজ্যখনৰ ৬ হাজাৰ হেক্টৰ ভূমিতহে মিলেটৰ খেতি কৰা হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যি সময়ত দেশত মিলেটৰ গড় উৎপাদনশীলতা প্ৰতি হেক্টৰত প্ৰায় ১২০০ কিলোগ্ৰাম। অসমত ইয়াৰ উৎপাদনশীলতা প্ৰতি হেক্টৰত প্ৰায় ৬০০ কিলোগ্ৰাম। তেওঁ কয় যে এই খেতি কম সময়ৰ ভিতৰতে কৰিব পাৰি। ইয়াক অধিক জনপ্ৰিয় কৰিব পাৰিলে অসমৰ কৃষক ৰাইজ উপকৃত হ'ব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে জি-২০ সন্মিলনৰ সময়তো অতিথিসকলক মিলেট খাদ্য পৰিৱেশন কৰা হ'ব।

আজিৰ এই অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, কৃষি বিভাগৰ অতিৰিক্ত মুখ্য সচিব আশীষ কুমাৰ ভূটানী প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**০১/২/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in